**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-09-2025 **Time :** 0900Hrs.

## HEADLINES

১। পশ্চিম কাৰ্বি আংলঙ জিলাত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰীৰ হামৰেণত ১০০খন বিচনাযুক্ত নতুন জিলা চিকিৎসালয় উদ্বোধন।

২। ৰাজ্যত স্তিমিত উৎসাহ-উদ্দীপনাৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন। আজি অকালবোধনৰ সপ্তমী।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ অনুসন্ধানত গুৰুত্বপূৰ্ণ তথ্য উদ্ধাৰ। অভিযুক্ত শ্যামকানু মহন্তৰ ঘৰত চৰকাৰী ছিল-মোহৰ।

৪। বিটিচি নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা বিপিএফৰ পৰিষদীয় চৰকাৰ গঠনৰ বাবে ৰাজ্যপালক সাক্ষাৎ।

**আৰু**

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত পাকিস্তানক পৰাস্ত কৰি ভাৰতৰ নৱমবাৰৰ বাবে খিতাপ দখল।

ooooo

পশ্চিম কাৰ্বি আংলঙ জিলাত স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ দিশত ৰূপান্তৰমুখী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি হামৰেণত ১০০খন বিচনাযুক্ত নতুন জিলা চিকিৎসালয় উদ্বোধন কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে এই জিলা চিকিৎসালয়খন নিৰ্মাণ কৰা হৈছে। এই চিকিৎসালয়ত জৰুৰীকালীন বিভাগ, শৈল্য চিকিৎসা, প্ৰসূতি আৰু স্ত্ৰীৰোগ, শিশু ৰোগ, মনোৰোগ আদি বিভাগ থকাৰ উপৰি অস্ত্ৰোপচাৰ কক্ষ, আই চি ইউ, ব্লাড বেংক আদিকে ধৰি প্ৰায় সকলোবোৰ সুবিধা আছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই উপলক্ষে আয়োজিত সভাত ভাষণ দি অতি দূৰণিবটীয়া অঞ্চলত স্থাপন কৰা এই চিকিৎসালয়ে জনসাধাৰণক উপকৃত কৰিব বুলি উল্লেখ কৰে। তেওঁ লগতে স্থানীয় যুৱতীসকলক নাৰ্ছিং শিক্ষা প্ৰদানৰ সুবিধাৰ্থে হামৰেণত এখন জিএনএম নাৰ্ছিং স্কুল স্থাপনৰ কথা ঘোষণা কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

জিলা চিকিৎসালয়খনত অহা ডিচেম্বৰৰ ভিতৰত চি টি স্কেন মেচিনৰ সুবিধা কাৰ্যক্ষম কৰি তোলা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ চিকিৎসক আৰু নাৰ্ছ সকলক জনসাধাৰণৰ সেৱাত উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াবলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ৰংখাং বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদস্যাসকলক মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আৰ্থিক সাহায্য বিতৰণ কৰে। এই উপলক্ষে ডংকামোকামৰ ৱাইছং ষ্টেডিয়ামত আয়োজিত এখন জনসভাত দুহেজাৰ ২০০ আত্মসহায়ক গোটৰ প্ৰায় ১৯ হাজাৰ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'য়। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই আঁচনিৰ অধীনত উদ্যমী মহিলাসকলক লাখপতি বাইদেউলৈ উন্নীত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ মহিলাসকলক উপাৰ্জনমুখী কামত নিজকে নিয়োজিত কৰি সমাজৰ উন্নয়নমুখী পৰিবৰ্তনৰ অংশীদাৰ হ'বলৈ আহ্বান জনায়।

ooooooo

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত স্তিমিত উৎসাহ-উদ্দীপনাৰে শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। আজি শাৰদীয় অকালবোধনৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ লগে লগে পৰম্পৰাগত ৰীতি-নীতিৰে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে।

শিৱসাগৰ জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে শাৰদীয় পূজাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, এই দৌলত মহা অষ্টমীৰ প্ৰথম প্ৰসাদ নাগাৰা বজোৱা দৌল্লা পৰিয়াল আৰু

কনচেং বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা আগবঢ়োৱাৰ ৰজাদিনীয়া পৰম্পৰা দৌল উন্নয়ন সমিতিয়ে এতিয়াও অক্ষুণ্ণ ৰাখিছে। ৰাজ্যবাসীৰ প্ৰাণৰ শিল্পীগৰাকীৰ মৃত্যুত দেৱী দৌলৰ পূজাত পূৰ্বৰ উছাহ-উদ্দীপনা দেখিবলৈ পোৱা নাই বুলি দৌল সমিতিয়ে জানিবলৈ দিছে। জিলাখনত সৰ্বমুঠ ২৫ খন ৰাজহুৱা পূজা অনুষ্ঠিত হৈছে। পূজা সমিতিসমূহে জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই সকলো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰিছে।

**ডিব্ৰুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ অসমীয়া ৰীতি-নীতিৰে পালন কৰা হৈছে। থিয়েটাৰপাৰা মালিপট্টিৰ দুৰ্গাপূজা সমিতিয়ে এইবাৰৰ পূজা মণ্ডপ কাশ্মীৰৰ পেহেলগামৰ আক্ৰমণক উপস্থাপন কৰি নিৰ্মাণ কৰিছে। মণ্ডপটোত অপাৰেচন সিন্দূৰৰ বিজয় অভিযানৰ আৰ্হি নিৰ্মাণ কৰা হৈছে।

**ধেমাজি** জিলাতো মাংগলিক ৰীতি-নীতিৰে কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰে শাৰদীয় পূজা আৰম্ভ হৈছে। আজি সপ্তমী পূজাৰ নৱপত্ৰিকা স্থাপনৰ পৰম্পৰাও পূজাস্থলীত পালন কৰা হৈছে। জিলাখনৰ জোনাই সাৰ্বজনীন দুৰ্গা পূজা সমিতিয়ে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত বিশেষ মণ্ডপ সাজি উলিয়াইছে। **শোণিতপুৰ** জিলাতো শাৰদীয় দুৰ্গা পূজা পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে।

**নলবাৰী** জিলাৰ ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়ত হাতীৰে আদৰি আনি কালি দেৱীক প্ৰতিষ্ঠা কৰা হয়। আজি পৰম্পৰাগত ৰীতিৰে সপ্তমী পূজাৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা ৰমেন কলিতাই এইদৰে কয়-

*(বাইট ঃ ৰমেন কলিতা)*

**গোৱালপাৰা** জিলাৰ বিভিন্ন প্ৰান্ততো কালি ষষ্ঠী উপলক্ষে পূজাৰ বেদীত দেৱী প্ৰতিমা স্থাপন কৰি শক্তিৰূপিনী দেৱীৰ আৰাধনা কৰা হয়। জিলাখনত ১৪৩ খন ঠাইত এইবেলি দুৰ্গাপূজা অনুষ্ঠিত হৈছে। গোৱালপাৰা জিলাৰ জয়ভূম কামাখ্যা মন্দিৰ, টুক্ৰেশ্বৰী দেৱালয়, লক্ষীপুৰ, দুধনৈ, ৰংজুলি, আগিয়াকে ধৰি বিভিন্ন অঞ্চলত জাক-জমকতা অবিহনেই পূজা অনুষ্ঠিত হৈছে। **ধুবুৰী** জিলাৰ শতাধিক পূজাথলীত এইবাৰ দেৱীক আৰাধনা কৰা হৈছে। জিলাখনৰ ৪০৪ বছৰীয়া গৌৰীপুৰৰ ৰজাঘৰীয়া দুৰ্গোৎসৱ, বিলাসীপাৰাৰ জমিদাৰবাৰীৰ অষ্টভূজা পূজা আৰু ৪১৩ বছৰীয়া বগৰীবাৰীৰ মা মহামায়া শক্তিপীঠত আজি পাৰম্পৰিক ৰীতি-নীতিৰে সম্পূৰ্ণ বৈদিক প্ৰথাত মহাসপ্তমী পূজাৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰূপহীত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে পূজাত অংশ লৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীৰ লগতে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ শিঙিমাৰী, ফুলবাৰী আদিত আজি সপ্তমীৰ নৱপত্ৰিকা পূজাৰ আয়োজন কৰা হৈছে। **বৰাক** উপত্যকাৰ জিলাকেইখনতো আজিৰেপৰা শাৰদীয় দুৰ্গাপূজা পালন কৰা হৈছে। এই সন্দৰ্ভত শিলচৰৰ পৰা আমাৰ সংবাদদাতা আঁখীৰাণী দাস-

*(বাইট ঃ আঁখীৰাণী দাস)*

**চিৰাং** জিলাৰ বিজনী চহৰৰ শিৱশংকৰ কলনি দুৰ্গাপূজা সমিতিয়ে পূজা মণ্ডপ জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰি আৰণ্যক বিষয়বস্তু উপস্থাপন কৰিছে। প্ৰকৃতি প্ৰেমী শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায় প্ৰতিটো প্ৰতিমা গছ-লতিকাৰে সজাই পৰাই তোলা হৈছে।

০০০০০০০

অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আজি আদ্যশ্ৰাদ্ধ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মন কি বাতত অসমীয়াৰ হিয়াৰ আমঠু শিল্পীগৰাকীৰ অকাল বিয়োগতো গভীৰ শোক প্ৰকাশ কৰে। নিজৰ প্ৰতিভাৰে সমগ্ৰ দেশতে পৰিচিত হৈ পৰা জুবিন গাৰ্গৰ অসমৰ সংস্কৃতিৰ সৈতে গভীৰ সম্পৰ্ক আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে শিল্পীগৰাকীৰ সংগীতে পৰৱৰ্তী প্ৰজন্মসমূহক সদায়েই আচ্ছন্ন কৰি ৰাখিব।

ইফালে শিল্পীগৰাকীৰ কাহিলীপাৰাস্থিত ঘৰত শ্ৰদ্ধাঞ্জলি জনাবলৈ গুণমুগ্ধৰ স্ৰোত অব্যাহত আছে। কালি দেশৰ বিশিষ্ট উদ্যোগপতি  গৌতম আদানীয়ে শিল্পীগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰি গভীৰ সমবেদনা জ্ঞাপন কৰে। আজি আদ্যশ্ৰাদ্ধৰ কাৰণে সৰভোগ অঞ্চলৰ ব্যৱসায়ীসকলে এহেজাৰ লিটাৰতকৈও অধিক দৈ যোগান ধৰিছে।

শিল্পীগৰাকীৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ্ আই টিয়ে নতুন নতুন তথ্য পোহৰলৈ আনিছে। কালি তদন্তকাৰী দলটিয়ে শিল্পীগৰাকীৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ সদস্যৰ সৈতে মত বিনিময় কৰে। শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ লগতে পৰিয়ালৰ সদস্যই চি আই ডিক দিয়া এজাহাৰত ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ উদ্যোক্তা শ্যামকানু মহন্ত, জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ লগতে দুৰ্ঘটনাটোৰ সময়ত সেই স্থানত উপস্থিত থকা সকলোৰে নাম উল্লেখ কৰা হৈছে। এছ্ আই টিৰ সদস্যই কালি এই সন্দৰ্ভত তেওঁলোকৰ সৈতে মত বিনিময় কৰে। ইপিনে, শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত অভিনেত্ৰী নিশিতা গোস্বামী, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্তক কালিও দ্বিতীয় দিনাৰ বাবে উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত ১২ ঘণ্টা জুৰি জেৰা কৰা হয়। নিজকে সাংস্কৃতিক কৰ্মী বুলি জাহিৰ কৰা অভিযুক্ত শ্যামকানু মহন্তৰ ঘৰত এছ্ আই টিয়ে চৰকাৰী ছিল-মোহৰ লগায়। অভিযুক্ত মহন্তৰ বিৰুদ্ধে চি আই ডিয়ে জালিয়াতিৰ নতুন গোচৰো ৰুজু কৰে। শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে আৰক্ষী অধীক্ষক সুধাকৰ সিং আৰু উপ আৰক্ষী অধীক্ষক তৰুণ গোৱেল ছিংগাপুৰলৈ যাব।

ooooooo

বিটিচি নিৰ্বাচনত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰা বিপিএফ দলে কালি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰি পৰিষদীয় চৰকাৰ গঠনৰ বাবে দাবী উত্থাপন কৰে। ৰাজ্যপালগৰাকীক কৰা সাক্ষাতৰ পাছত বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কয়, যে অহা তিনি অক্টোবৰত কোকৰাঝাৰত আয়োজিত অনুষ্ঠানত দলটোৱে শপত গ্ৰহণ কৰিব। এই অনুষ্ঠানত ৰাজ্যপালগৰাকীক আমন্ত্ৰণ জনোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। পৰিষদীয় চৰকাৰত বি জে পি আৰু ইউ পি পি এলৰ সদস্য থাকিবনে নাই বুলি সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী মহিলাৰীয়ে কয়, যে কোনো দলে সমৰ্থন জনালে আদৰণি জনোৱা হ'ব। এই সন্দৰ্ভত দলীয় সদস্যসকলৰ সৈতে আলোচনা কৰি চূড়ান্ত সিদ্ধান্ত লোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। বিপিএফৰ মুৰব্বীগৰাকীয়ে তেওঁৰ দলৰ বিজয়ী প্ৰাৰ্থীসকলৰ সৈতে কালি সন্ধিয়া মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে। তেওঁ মুখ্যমন্ত্ৰীগৰাকীক ৫ অক্টোবৰত কোকৰাঝাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানলৈ আমন্ত্ৰণ জনায়। ডঃ শৰ্মাই বিপিএফ দলৰ এই নতুন যাত্ৰাৰ বাবে আটাইলৈ অভিনন্দন জনায়।

ইপিনে, ইউ পি পি এল দলৰ মুৰব্বী প্ৰমোদ বড়োৱে কালি ৰাজ্যপাল শ্ৰী আচাৰ্যক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে।

ooooooooo

উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ৰেলৱে সুৰক্ষা বাহিনীয়ে যোৱা ১৮ৰ পৰা ২৩ ছেপ্তেম্বৰৰ ভিতৰত ১৯ টি নাবালককে ধৰি ২১ টি শিশুক উদ্ধাৰ কৰিছে। উত্তৰ-পূব সীমান্ত ৰেলৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰে প্ৰকাশ কৰা মতে ১৮-১৯ ছেপ্তেম্বৰত আলিপুৰদুৱাৰ আৰু চাপৰমুখৰ পৰা তিনিটি নাবালকক উদ্ধাৰ কৰাৰ লগতে বাৰচৈ, নিউ কোচবিহাৰ, কামাখ্যা, নিউ জলপাইগুৰি আৰু চাপৰমুখৰ পৰা ২০-২১ ছেপ্তেম্বৰত ১১টি নাবালকক উদ্ধাৰ কৰা হয়। একেদৰে ২২-২৩ ছেপ্তেম্বৰত লামডিং আৰু কিষাণগঞ্জৰ পৰা এটি কন্যা শিশুকে ধৰি ৫টি নাবালকক উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা শিশুসকলক পাছত পিতৃ-মাতৃ, চাইল্ড লাইন, স্বেচ্ছাসেৱী সংগঠন আৰু স্থানীয় আৰক্ষীক গতাই দিয়া হয়। মেৰি ছহেলী পদক্ষেপৰ অধীনত মহিলা ৰেলৱে সুৰক্ষা বাহিনীয়ে মহিলা যাত্ৰীসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ২৪ ঘণ্টাই কাম-কৰি আছে বুলি জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

ooooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে তিলক বাৰ্মাৰ অপ্ৰতিৰোধ্য বেটিঙৰ সহায়ত পাকিস্তানক ৫ উইকেটত পৰাস্ত কৰি নৱমবাৰৰ বাবে এছিয়া কাপৰ খিতাপ জয় কৰে। ভাৰতে ১৪৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ ৪টা বলত ৫ উইকেটৰ বিনিময়ত ১৫০ ৰান কৰে। ভাৰতৰ হৈ তিলক বাৰ্মাই ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। শিৱম ডুবেই ৩৩ আৰু সঞ্জু ছেমছনে ২৪ ৰানৰ বৰঙণি আগবঢ়ায়। পাকিস্তানৰ হৈ ফাহিম আশ্ৰফে ৩টা উইকেট দখল কৰাৰ লগতে শ্বাহিন আফ্ৰিদি আৰু আব্ৰাৰ আহমেদে এটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে টছ্‌ত জিকি পাকিস্তানক প্ৰথমে বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনায়। পাকিস্তানে ১৯ অভাৰ এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪৬ ৰান সংগ্ৰহ কৰে। পাকিস্তানৰ হৈ ছাহিবজাদা ফাৰহানে সৰ্বাধিক ৫৭ আৰু ফখৰ জামানে ৪৬ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৪টা উইকেট দখল কৰাৰ বিপৰীতে জছপ্ৰীত বুমৰাহ, বৰুণ চক্ৰৱৰ্তী আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট দখল কৰে।

তিলক বাৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে আৰু অভিষেক শৰ্মাক প্লেয়াৰ অৱ দা টুৰ্ণামেণ্ট হিচাপে ঘোষণা কৰা হয়।

এছিয়া কাপত জয়লাভ কৰা ভাৰতীয় দলটোক ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জনাইছে।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বিচিচিআইয়ে এছিয়া কাপত ভাৰতীয় খেলুৱৈসকলৰ সাফল্যক স্বীকৃতি দি দলৰ খেলুৱৈ আৰু সহযোগী কৰ্মচাৰীসকললৈ মুঠ ২১ কোটি টকাৰ প্ৰাইজমানি ঘোষণা কৰিছে।

0000000

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত কেইবাটাও বাতৰি আকৰ্ষণীয় শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাতত জুবিন গাৰ্গৰ প্ৰসংগই স্থান লাভ কৰাতো বাতৰি হিচাপে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ মন কী বাতৰ অনুষ্ঠানত কালি জুবিন গাৰ্গৰ স্মৃতি সুঁৱৰি কয় যে জুবিন গাৰ্গৰ সংগীতে পৰৱৰ্তী প্ৰজন্মকো মন্ত্ৰমুগ্ধ কৰি ৰাখিব।

দৈনিক অসম কাকতে শাৰদীয় দুৰ্গোৎসৱৰ উৎসাহ-উদ্দীপনা জুবিন গাৰ্গৰ অকাল বিয়োগত ম্লান পৰা বুলি বাতৰি প্ৰকাশ কৰিছে। দেৱী বন্দনাৰ সমান্তৰালকৈ প্ৰাণৰ শিল্পীগৰাকীলৈ ভক্তিপ্ৰাণ ৰাইজে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমীতা অভিযান আচঁনিৰ চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৪০ কোটি টকা ব্যয় সাপেক্ষে হামৰেনত চিকিৎসালয় উদ্বোধন কৰাৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

আজি শাৰদীয় দুৰ্গা পূজাৰ সপ্তমী। পৰম্পৰা অক্ষুণ্ণ ৰাখি কামাখ্যা ধাম, উগ্ৰতাৰা আদি শক্তিপীঠসমূহত পূজা অৰ্চনাৰ লগতে বলিবিধানো সম্পন্ন হ'ব বুলি দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে।

বি টি চি নিৰ্বাচনত অভূতপূৰ্ব সফলতাৰে ক্ষমতা দখল কৰা হাগ্ৰামা মহিলাৰীয়ে অহা ৫ অক্টোবৰত আনুষ্ঠানিকভাবে মুখ্য কাৰ্যবাহী হিচাপে শপত গ্ৰহণ কৰিব।

নিয়মীয়া বাৰ্তা কাকতে জুবিন বিহিন উকা প্ৰথমটো শাৰদ সন্ধ্যা, আজি মহা সপ্তমী শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে।

শ্যামকানু মহন্তৰ বিৰুদ্ধে বিত্তীয় অনিয়মৰ অভিযোগত এছ্ আই টিয়ে গোচৰ ৰুজু কৰিছে। দি আছাম ট্ৰিবিউন কাকতে এই বাতৰি প্ৰকাশ কৰিছে। গোৱালপাৰা জিলাৰ ধুপধাৰাত আৰক্ষীয়ে কালি চাৰিজন ডকাইটক গুলীয়াই হত্যা কৰে। এই বাতৰি দা চেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ যাওঁ......

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মণিপুৰ, ত্ৰিপুৰা, মেঘালয় আৰু মিজোৰামত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইফালে অসমৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

00000000

**সমাপ্ত**